জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৫৩/২০২৩**

# অসম চাহ উদ্যোগ বিশেষ উদগণিমূলক আঁচনিৰ অধীনত আৰ্থিক অনুদান বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৩০ মাৰ্চ ঃ** অসম চাহ উদ্যোগ বিশেষ উদগণিমূলক আঁচনি ২০২০ ৰ অধীনত প্ৰায় ৩৭০ খন চাহ বাগিচালৈ আৰ্থিক অনুদান বিতৰণ উপলক্ষে আজি জনতা ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে।

অসম চাহ উদ্যোগ বিশেষ উদগণিমূলক আঁচনি ২০২০ ৰ অধীনত ৩৭০ খন চাহ বাগিচালৈ মুঠ ৬৪.০৫ কোটি টকা প্ৰদান কৰা হয়। উল্লেখ্য যে এই আঁচনিখন অসম চৰকাৰে চাহ উদ্যোগৰ ওপৰত ক'ভিড-১৯ অতিমাৰীৰ বিৰূপ প্ৰভাৱ হ্ৰাস কৰাৰ উদ্দেশ্যেৰে প্ৰস্তুত কৰিছিল।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চাহ উদ্যোগ অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড স্বৰূপ। ইয়ে মুঠ ৰপ্তানিৰ প্ৰায় ৯০ শতাংশ অৰিহণা যোগায়। তেওঁ লগতে কয় যে এক নিযুততকৈও অধিক লোকে প্ৰত্যক্ষ বা পৰোক্ষভাৱে কৰ্ম সংস্থাপনৰ সুযোগ লাভ কৰিছে। অসমৰ অৰ্থনীতিৰ ওপৰত চাহ উদ্যোগৰ অপৰিসীম প্ৰভাৱৰ বাবে অসম চৰকাৰে এই খণ্ডত বিশেষ উদগণিমূলক আঁচনিৰ জৰিয়তে সামৰি লোৱাৰ দিশত পদক্ষেপ গ্ৰহণ কৰিছে যাতে এই খণ্ডটোৱে ক'ভিড-১৯ ৰ ফলত হোৱা ক্ষতিৰ দিশত কিছু পৰিমাণে সকাহ প্ৰদান কৰিব পাৰে। আঁচনিখনৰ বিভিন্ন দিশ সম্পৰ্কত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চিটিচি, অৰ্থডক্স তথা গুণসম্পন্ন চাহ যেনে গ্ৰীণ টি, ওলং টি, হোৱাইট টি, য়েল্ল টি, পাৰপল টি আদি যিকোনো এবিধ চাহ উৎপাদনকাৰী গোটে এই সুবিধা লাভ কৰিব। কাৰ্যকৰী মূলধন ঋণৰ ওপৰত ৩ শতাংশ সুত ৰেহাই দিয়া হৈছে। তেওঁ কয় যে অৰ্থডক্স চাহৰ উৎপাদন প্ৰসাৰতো যথাযথ গুৰুত্ব দিয়া হৈছে। এই উদ্দেশ্যেৰে অসম চাহ উদ্যোগ বিশেষ উদগণিমূলক আঁচনিৰ অধীনত প্ৰতি কিলোগ্ৰাম অৰ্থডক্স আৰু অন্যান্য বিশেষ জাতৰ চাহৰ বাবে ১০ টকাৰ ৰাজ সাহায্য অন্তৰ্ভূক্ত কৰা হৈছে বুলি তেওঁ কয়। ৰাজ্যৰ চাহ উৎপাদনৰ ২০০ বছৰীয়া জয়ন্তী উপলক্ষে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে প্ৰতি কিলোগ্ৰাম অৰ্থডক্স আৰু অন্যান্য বিশেষ গুণসম্পন্ন জাতৰ চাহৰ বাবে অতিৰিক্ত ২ টকা নিৰ্দ্ধাৰণ কৰা হৈছে। অন্য গুণসম্পন্ন চাহ আৰু অৰ্থডক্স চাহৰ পুলি আৰু যন্ত্ৰপাতি খৰচৰ বাবে ২৫ শতাংশ ৰাজ সাহায্য আগবঢ়োৱা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক তিনিটা বিত্তীয় বৰ্ষৰ বাবে ৰাজ্য চৰকাৰে চাহ বাগিচাৰ পৰা কৃষি আয়কৰ গ্ৰহণ নকৰে যাতে এই উদ্যোগে এক বিশেষ মাত্ৰা লাভ কৰে।

ৰাজ্যৰ চাহখণ্ডক পূৰ্বতকৈ অধিক গতিশীল কৰি তুলিবলৈ ৰাজ্য চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰী প্ৰচেষ্টাৰ এই সফলতা কঢ়িয়াই আনিবলৈ হ'লে চাহ উদ্যোগৰ সৈতে জড়িত থকা সকলোৱে নিজস্ব দায়িত্ব সঠিকভাৱে পালন কৰিব লাগিব।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ৰাজ্যৰ চাহ জনজাতিসকলৰ আৰ্থ-সামাজিক সবলীকৰণৰ লক্ষ্যৰে অসম চৰকাৰে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে মুখ্যমন্ত্ৰী আৱাস যোজনাৰ অধীনত অসম চৰকাৰে চাহ বাগিচাৰ শ্ৰমিকৰ ১০ হাজাৰ গৃহৰ মেৰামতিৰ বাবে ১.৫ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়াব। তেওঁ লগতে কয় যে চাহ বাগিচাৰ পথসমূহৰ উন্নয়নৰ বাবেও ধনৰ আবণ্টন দিয়া হৈছে। শীঘ্ৰে চাহ বাগিচাৰ শ্ৰমিকৰ কোৱাৰ্টাৰ আৰু বাসগৃহত স্মাৰ্ট মিটাৰ স্থাপন কৰা হ'ব আৰু তেওঁলোকৰ এতিয়ালৈকে অনাদায় বিদ্যুতৰ বিল অসম চৰকাৰে অসম শক্তি উন্নয়ন কোম্পানী লিমিটেডক প্ৰদান কৰিব। চাহ বাগিচাত স্থাপন কৰা আদৰ্শ বিদ্যালয়সমূহে শৈক্ষিকভাৱে পিছপৰা চাহ জনগোষ্ঠীৰ লোকসকলৰ সন্তানৰ বিদ্যায়তনিক দিশৰ উন্নয়ন সাধনত এক বিপ্লৱৰ সূচনা কৰিব। তেওঁ লগতে কয় যে প্ৰায় ২৫ খন মহাবিদ্যালয় চাহ বাগিচা অঞ্চলত স্থাপন কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে চাহ বাগিচা ব্যৱস্থাপনা আৰু শ্ৰমিক দুয়োটা পক্ষকে ইজনে সিজনৰ মঙ্গলৰ প্ৰতি দায়বদ্ধ হৈ থাকিবলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ, উদ্যোগ মন্ত্ৰী বিমল বড়া, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, ভাৰতীয় চাহ সংস্থাৰ অধ্যক্ষ নয়নতৰা পাল চৌধুৰী অনুষ্ঠানত উপস্থিত থাকে।

**অঃহাঃ / পুঃডেঃ**
**৩০/৩/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in